জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ২২০/২০২০

ৰাজ্যৰ সম্ভাব্য বান পৰিস্থিতি নিয়ন্ত্ৰণমূলক কাম-কাজৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# কভিড-১৯ সৃষ্ট ভয়াৱহ পৰিস্থিতিৰ মাজতো ৰাজ্যৰ সকলো ভঙা আৰু দুৰ্বল মথাউৰিৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ কাম অতি শীঘ্ৰে সম্পূৰ্ণ কৰি তুলিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

- গুৱাহাটী আৰু মাজুলীৰ মেটেৰিয়েল বেংককেইটাত পাৰ্কুপাইন, জিঅ' বেগ, ৰাবাৰ ব'টৰ দৰে সকলো জৰুৰীকালীন সামগ্ৰী মজুত ৰখাৰ নিৰ্দেশ
- জলসম্পদ বিভাগৰ সকলো নিয়ন্ত্ৰণ কক্ষকে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাটো সুনিশ্চিত কৰাৰ নিৰ্দেশ
- বানকেন্দ্ৰিক সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে এছ ডি আৰ এফক সকলোধৰণৰ অত্যাধুনিক সা-সঁজুলিৰে সৈতে সাজু হৈ থকাৰ নিৰ্দেশ
- দুৰ্যোগকালীন পৰিস্থিতিৰ মোকাবিলাৰ বাবে দক্ষ শ্ৰমিক-কৰ্মচাৰীৰ দল স্পৰ্শকাতৰ অঞ্চলসমূহত অহৰ্নিশে সাজু কৰি ৰখাৰ নিৰ্দেশ।

**দিছপুৰ, ২৯ এপ্ৰিলঃ** কভিড-১৯ সৃষ্ট ভয়াৱহ পৰিস্থিতিৰ মাজতো ৰাজ্যৰ সকলো ভঙা আৰু দুৰ্বল মথাউৰিৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ কাম অতি শীঘ্ৰে সম্পূৰ্ণ কৰি তুলিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আয়োজিত এক বৈঠকত আগন্তুক বাৰিষাৰ কালছোৱাত সম্ভাব্য বান পৰিস্থিতিৰ সৈতে নিয়ন্ত্ৰণমূলক কাম-কাজৰ প্ৰস্তুতিসমূহৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনে একেসময়তে দুটা ভয়ংকৰ দুৰ্যোগৰ সন্মুখীন হোৱাৰ বাবে সাজু হ'বলগীয়া হৈছে। কভিড-১৯ৰ এই ভয়াবহতাৰ সমান্তৰালভাৱে বাৰিষা অহাৰ লগে লগে আমি বান আৰু খহনীয়াৰ ভয়াবহতাৰো মুখামুখি হ'ব লাগিব। কভিড-১৯ কেন্দ্ৰিক লকডাউনৰ বাবে চৰকাৰৰ উন্নয়নমূলক কাম-কাজসমূহো বাধাগ্ৰস্ত হৈছে যদিও বিষয়ৰ গুৰুত্বলৈ লক্ষ্য ৰাখি স্বাস্থ্যসন্মত বিধি-বিধানৰ মাজেৰে মথাউৰি নিৰ্মাণৰ দৰে জৰুৰী কাম-কাজসমূহ আমি পূৰ্ণগতিত অব্যাহত ৰাখিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। জলসম্পদ বিভাগে যুদ্ধকালীন তৎপৰতাৰে ৰাজ্যখনৰ ৩৮টা দুৰ্বল মথাউৰিৰ ৩২টাৰে মেৰামতিৰ কাম সম্পূৰ্ণ তোলা কাৰ্যত সন্তুষ্টি প্ৰকাশ কৰি অৱশিষ্ট দুৰ্বল অংশসমূহৰ কাম অতিশীঘ্ৰে সম্পূৰ্ণ কৰি

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

তুলিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগটোক নিৰ্দেশ দিয়ে। দুৰ্যোগকালীন পৰিস্থিতিৰ মোকাবিলাৰ বাবে দক্ষ শ্ৰমিক-কৰ্মচাৰীৰ এটা দল স্পৰ্শকাতৰ অঞ্চলসমূহত অহৰ্নিশে সাজু কৰি ৰাখিবলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে বিভাগটোক নিৰ্দেশ দিয়ে। গুৱাহাটী আৰু মাজুলীত ইতিমধ্যে সাজু হৈ উঠা সঁজুলি ভঁৰাল (মেটেৰিয়েল বেংক)কেইটাত বানপানীৰ সৈতে যুঁজাৰ বাবে প্ৰয়োজনীয় সকলো জৰুৰীকালীন সামগ্ৰী যেনে পাৰ্কুপাইন, জিঅ' বেগ, ৰাবাৰ ব'ট আদি মজুত ৰাখিবলৈও মুখ্যমন্ত্ৰীয়ে বিভাগটোক নিৰ্দেশ দিয়ে। অহা ১ মে'ৰ পৰা জলসম্পদ বিভাগৰ মুখ্য কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়, সকলো ক্ষেত্ৰীয় সংমণ্ডলৰ কাৰ্যালয় আৰু মূল মূল উপ-সাংমণ্ডলিক কাৰ্যালয়ত আৰম্ভ কৰিবলগীয়া নিয়ন্ত্ৰণ কক্ষসমূহ ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাটো সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

বানপানীৰ সময়ত সাহায্য আৰু উদ্ধাৰ অভিযানৰ লগতে সকলো জৰুৰীকালীন পৰিস্থিতিৰে মোকাবিলাৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (এছ ডি আৰ এফ)ক সকলোধৰণৰ অত্যাধুনিক প্ৰযুক্তিৰ সৈতে সাজু কৰি তুলিবলৈ আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এছ ডি আৰ এফৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত ১০০ খন দ্ৰুতবেগী ৰবৰৰ নাওকে ধৰি অন্যান্য জৰুৰী সামগ্ৰীসমূহ অতি শীঘ্ৰে ক্ৰয়ৰ ব্যৱস্থা কৰিবলৈও বিভাগটোক নিৰ্দেশ দিয়ে।

ৰাজ্যৰ মথাউৰিসমূহৰ বহনক্ষমতা বৃদ্ধিৰ বাবে এইবোৰক পথ তথা মথাউৰি (ৰোড-কাম-এমবেংকমেণ্ট) হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মথাউৰিসমূহৰ ওপৰেৰে যান-বাহন আৰু মানুহৰ আহ-যাহ অব্যাহত থাকিলে এইবোৰৰ পৰ্যাপ্ত চোৱা-চিতা হৈ থাকিব আৰু আন্তঃগাঁথনিগত দুৰ্বলতাসমূহো সহজেই দৃষ্টিগোচৰ হ'ব। ৰাজ্যৰ উপনৈসমূহৰ বুকু খনন কৰি এইবোৰৰ জলধাৰণৰ ক্ষমতা বৃদ্ধিৰ জৰিয়তে বানপানীৰ ভয়াবহতা হ্ৰাস কৰিব পৰা যাব বুলি উল্লেখ কৰি তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত ল'বলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভগক নিৰ্দেশ দিয়ে। জলসম্পদ বিভাগৰ কাম-কাজ কৰা ঠিকাদাৰসকলৰ সামৰ্থ্য আৰু দক্ষতা বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি তেওঁলোকৰ সৈতে সঘনে আলোচনাত মিলিত হৈ সুবিধা-অসুবিধাসমূহ বুজ ল'বলৈও মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ আৰু মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়াৰ লগতে জলসম্পদ বিভাগ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ তথা এছ ডি আৰ এফৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ / পুঃডেঃ /**
**২৯/৪/২০২০**